# জাতীয় বিদ্যায়তনিক পৰামৰ্শ কোষৰ সভা




**সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ সৈতে অনুষ্ঠানত উপস্থিত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু মহাবিদ্যালয়ৰ অধ্যক্ষসমূহ**

০৮ ডিচেম্বৰ, ২০২১ খ্ৰীষ্টাব্দ তাৰিখে সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা প্ৰেক্ষাগৃহত সভাৰ জাতীয় বিদ্যায়তনিক পৰামৰ্শ কোষৰ এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। মাননীয় সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত অসমৰ বহুকেইগৰাকী উপাচাৰ্য, মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ উপস্থিত থাকে। এইসকল হ'ল— কুমাৰ ভাস্কৰবৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দীপক কুমাৰ শৰ্মা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অলক কুমাৰ বুঢ়াগোহাঁই, অসম কলেজ অধ্যক্ষ পৰিষদৰ সম্পাদক সত্যেন্দ্ৰনাথ বৰ্মন, অসম কলেজ শিক্ষক সন্থাৰ সভাপতি ড° বিশ্বজিৎ ভূঞা, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হোমেশ্বৰ কলিতা, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ মহন্ত আৰু কে. চি. দাস কমাৰ্চ কলেজৰ অধ্যক্ষ ড° হৃষীকেশ বৰুৱা। প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাৰ আদৰণি আৰু জাতীয় বিদ্যায়তনিক কোষৰ আহ্বায়ক ড° বলেন্দ্ৰ কুমাৰ দাসৰ উদ্দেশ্য ব্যাখ্যাৰ পিছত সভাপতি মহোদয়ে তেওঁৰ প্ৰাৰম্ভিক ভাষণত সম্প্ৰতি অসমৰ বিদ্যায়তনিক ক্ষেত্ৰখনিৰ উন্নয়ণমূলক কাম-কাজ কৰাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষকসকলৰ গুৰুত্ব সম্পৰ্কে বহলাই কয় আৰু এনে উন্নয়ণমূলক কাম-কাজত দেখা দিয়া এই কেৰোণবোৰৰ সমূচিত বিশ্লেষণৰ জৰিয়তে এইবোৰ নিৰ্মূল কৰাৰ বাবে আটাইৰে একনিষ্ঠ উমৈহতীয়া প্ৰচেষ্টাৰ অতি আৱশ্যক বুলি তেওঁ মতপোষণ কৰে। উপস্থিত প্ৰতিগৰাকী বিশিষ্ট শিক্ষাবিদে তেওঁলোকৰ বক্তব্যত নিজ নিজ শিক্ষানুষ্ঠানত বিদ্যায়তনিক দিশৰ উন্নয়ণমূলক কাম-কাজৰ এটি আভাষ দাঙি ধৰি অসম সাহিত্য সভাই আগ-ভাগ লোৱা এনেধৰণৰ কাম-কাজলৈ সহায়-সহযোগ আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে।

০-০-০-০